এগৰাকী মহিলা পাইলট হ'ব খুজিলোঁ। নিজৰ লগতে শ শ বিমান যাত্ৰীক আকাশী পথেদি উৰুৱাই লৈ ফুৰাৰ সপোন দেখিলোঁ।

সপোনহে দেখিলোঁ।

মোৰ পাইলট হোৱাৰ প্ৰস্তুতি পৰ্বতে হঠাতে এদিন—"আপকি টিকেট অউৰ আই ডি ..."

সুৰক্ষা কৰ্মীজনৰ কণ্ঠ মেঘৰ গাজনি যেন অনুভূত হ'ল। খৰধৰকৈ ম'বাইলটো উলিয়াই তাত বন্দী কৰি অনা অনলাইন টিকেট আৰু পেনকাৰ্ডখন দেখুৱালোঁ। প্ৰথমতে টিকেট আৰু পেনকাৰ্ডৰ নামৰ মিল আৰু পাছত কাৰ্ডখনৰ কণমানি ফটোখনেৰে মোৰ চেহেৰাৰ মিল উলিয়াবলৈ আপ্ৰাণ চেষ্টা কৰা দেখা গ'ল। শেষ পৰ্যন্ত ধাৰণা হ'ল মই পৰীক্ষাত উত্তীৰ্ণ হ'লোঁ। ভিতৰলৈ যাবলৈ দিয়াৰ ইংগিত এটা পালোঁ।

তাৰ পৰৱৰ্তীখিনি নিয়মমাফিক কাম। এয়া মোৰ প্ৰথম বিমান যাত্ৰা যদিও নিয়ম-কানুন সম্পৰ্কে আগতীয়াকৈ জানি-বুজি অহা বাবে বিশেষ অসুবিধা নহ'ল। বেগবোৰৰ স্কেনিং, ব'ৰ্ডিং পাছ, ছিকিউৰিটি চেক আদি প্ৰথাবোৰ শেষ কৰি উঠি কম সময়ৰ ভিতৰতে আঠ নম্বৰ গে'টৰ লাউঞ্জ পালোঁহি। এইখনেই মোৰ বিমানলৈ যাবলগীয়া গে'ট।

আৰু মই ৰোমাঞ্চিত হৈ উঠিলোঁ। শাৰী শাৰী আৰামী চকী, যাত্ৰীসমূহৰ ধামখুমীয়া, এটাফালে বিশালাকাৰ আইনাৰ মাজেদি দৃশ্যমান হোৱা ৰানৱেত বিমানবোৰৰ অহা-যোৱা, ইলেট্ৰনিক হ'ৰ্ডিংবোৰৰ চিকমিকনি, উৰণৰ সময় আৰু গন্তব্য স্থানৰ ঘোষণা, কফি হাউছৰ পৰা উফৰি অহা কফিৰ সুগন্ধ ... আহ। মই যে গগনমুখী।

তথাপি মোৰ উৰণলৈ আৰু এঘণ্টাৰ ওপৰ সময় বাকী।

মাহীয়ে ৰান্ধি দিয়া ভাতসাঁজ খাই দুঘণ্টামান আগতে ঘৰৰ পৰা ওলাই আহিছোঁহে। এই সময়ত কফি একাপ নহ'লেও চলি যায়। তথাপি ডেৰশ টকীয়া একাপ কফি হাতত তুলি ল'লোঁ। আৰু খালী চকী এখন বিচাৰি উলিয়ালোঁ। মোৰ আকাংক্ষা প্ৰাপ্তিৰ প্ৰাকমুহূৰ্তৰ এই বাতাৱৰণ চকুৰ পতাত থাকিলেই নহ'ব। হৃদয়লৈও প্ৰবাহিত হোৱা দৰকাৰ। কোনে জানে মহাৰ্ঘ্যৰ এই কফিকাপ এনে সংযোগৰ এক মাধ্যম নহ'ব।

বহি দিলোঁ। কফিৰ কাপত ইতস্ততঃ শোহা মাৰিলোঁ। আৰু বুজি উঠিলোঁ এই ৰাজকীয় বাতাৱৰণৰ প্ৰেক্ষাপটত হাজিৰ হ'লহি মোৰ এটা অতীত। নাতিদূৰৰ বাস্তৱ।

সেই যে 'মোৰ জীৱনৰ লক্ষ্য' ৰচনাখন, তাত সদায় লিখিছিলোঁ মই বিমানৰ পাইলট হ'ম। পাইলট হোৱাৰ যুক্তি আৰু প্ৰস্তুতি সম্পৰ্কেও ৰচনাবোৰত ভালেমান কথা লিখা গৈছিল। নম্বৰ আহিছিল ভাল। মেট্ৰিকত প্ৰথম বিভাগ।

অৱশ্যে তাৰ পাছতহে আচল প্ৰস্তুতি চলিছিল। আগশাৰীৰ কোনো এখন ফ্লায়িং একাডেমিত ভৰ্তি হ'বলৈ প্ৰয়োজনীয় অংক, পদাৰ্থবিদ্যা ইত্যাদি বিষয়বোৰ ভালদৰে পঢ়া গৈছিল। এণ্ট্ৰেন্স পৰীক্ষাবোৰৰ গতি-বিধি পৰ্যবেক্ষণ কৰি থকা গৈছিল। প্ৰস্তুতিৰ জোৰ ক্ৰমাৎ বাঢ়ি আহিছিল।

তেনেতে হঠাতে এদিন—

মেঘবিহীন আকাশৰ পৰা খহি পৰা বজ্ৰৰ দৰে হঠাতে এদিন সেই ভয়ংকৰ খবৰটো উৰি গৈছিল কলেজলৈ।

এটা মটৰ ছাইকেল দুৰ্ঘটনাত—

মোক হস্পিটেললৈ লৈ যোৱা হৈছিল। দেখুউৱা হৈছিল ইমাৰ্জেন্সি ৱাৰ্ডৰ বিছনাত থকা দেউতাৰ ক্ষত-বিক্ষত দেহ। আৰু মৰ্গৰ মজিয়াত পৰি থকা মাৰ—

তীব্ৰভাৱে কাহি উঠিলোঁ মই। কফিয়ে হঠাতে ডিঙিত চৰ্চৰণি খুৱালে। কাষৰ ছিটত বহি থকা সহযাত্ৰী এগৰাকীয়ে মোৰ পিঠিত থপৰিয়াই সকাহ দিয়াৰ চেষ্টা কৰা দেখা গ'ল।

"থেংক ইউ—" সকাহ পাই সহযাত্ৰীক ক'লোঁ।

"ইটছ মাই প্লিজাৰ—" সহযাত্ৰীয়ে শলাগিলে।

"ডেট ৱাজ দা টাৰ্নিং পইণ্ট—" এইবাৰ নিজকে ক'লোঁ। স্পষ্টকৈ নহয়, অস্ফুটভাৱে।

দেউতাক যেতিয়া হস্পিটেলৰ পৰা ঘৰলৈ অনা হৈছিল, দেখা গৈছিল এগৰাকী পংগু মানুহ। এয়াই মোৰ দেউতা? —নিজকে সুধিছিলোঁ। আৰু বেৰত ওলমি থকা মাৰ ফটোখন চাই চাই কান্দিছিলোঁ।

প্ৰথম অৱস্থাত হাহাকাৰ লাগি গৈছিল। যি মা মোৰ নিজৰ ছাঁৰ দৰে সংগী, সেই মা বেৰৰ ফ্ৰেমত বন্দী। আৰু দেউতা আছিল মোৰ জীৱনৰ ছাতি। এতিয়া মই হ'ব লাগিল সেই দেউতাৰ ছাতি। আৰু তলত এগৰাকী ভনী।

প্ৰথম অৱস্থাত পুতৌৰ দৃষ্টিৰে সহায় কৰা মানুহবোৰ ক্ৰমাৎ আঁতৰি গ'ল। মই হৈ পৰিলোঁ অসহায়, নিঠৰুৱা, অকলশৰীয়া। স্বাভাৱিকতেই হেৰাই গ'ল মোৰ সপোন। কেৱল আকাশ হৈ পৰিল সংগী।

দুখবোৰ আকাশক ক'লোঁ। ৰাতিপুৱা, আবেলি, ৰাতি। চোতাল আৰু আকাশ। এই আকাশ, এই চোতাল।

সকলোৰে জানে আকাশৰ নিজস্ব গৰিমা থাকে। আৰু থাকে উদাৰতা আৰু বিশালতা। বদান্যতাও থাকে হ'বলা। ক্ৰমাৎ কিছু সাহস পালোঁ। পালোঁ কিছু ধৈৰ্য, কিছু প্ৰেৰণা।

পাইলট হোৱাৰ ধান্দা বাদ দি স্কুলৰ ছাত্ৰ-ছাত্ৰীক টিউশ্যন কৰিবলৈ ল'লোঁ। কল্পনা অৰ্থাৎ ভনীজনীৰ পঢ়াত যাতে ব্যাঘাত নজন্মে তাৰ প্ৰতি সতৰ্ক হ'লোঁ। দেউতাৰ চিকিৎসা আৰু পৰিচৰ্যা সমানে চলি থাকিল। চলি থাকিল দিন-ৰাতি।

চলি থাকিল মোৰ টিউশ্যন। লাহে লাহে উপাৰ্জন বাঢ়িল।

কল্পনাই হায়াৰ ছেকেণ্ডেৰি পাছ কৰাৰ পাছত তাইৰ ইচ্ছা আৰু মোৰ ইচ্ছাৰ গঢ় উলিয়াই তাইক এয়াৰ হোষ্টেজৰ ক'ৰ্ছ কৰোৱাৰ সিদ্ধান্ত লোৱা হ'ল।

দিল্লীৰ এয়াৰ হোষ্টেজ একাডেমি এখনত তাই ছিট পাই গ'ল। আশাৰ সূৰুয এটাই ক'ৰবাত ভুমুকি মাৰিলে। তাইক দিল্লীলৈ পঠিয়াই মই মুক্ত বিশ্ববিদ্যালয় এখনৰ স্নাতক শ্ৰেণীত নামভৰ্তি কৰিলোঁ।

তিনি বছৰৰ ভিতৰত কল্পনা এয়াৰ হোষ্টেজ হৈ ওলাল, মই স্নাতক হ'লোঁ। প্ৰায় লগে লগেই এটা ব্যক্তিগত এয়াৰলাইনছত তাই নিযুক্তি পালে। ভালেমান বিভাগলৈ দৰখাস্ত কৰিও মই ক'তো নাপালোঁ।

আৰু নোপোৱা বাবে এটা লাভ হ'ল। মনৰ জেদটো বাঢ়িল। এইবাৰ মুক্ত বিশ্ববিদ্যালয়খনৰে স্নাতকোত্তৰ শ্ৰেণীত নাম লগালোঁ। টিউশ্যন চলি থাকিল। চলি থাকিল দেউতাৰ পৰিচৰ্যা। এইবাৰ মাহীয়ে দেউতাৰ দায়িত্ব ল'ব খুজিছিল। ক'লোঁ এতিয়া চলি যাব। সময়ত দেখা যাব।

আৰু দুবছৰ পাছত দেখা গ'ল যে মই স্নাতকোত্তৰ হৈ ওলালোঁ।

প্ৰথম অৱস্থাত কল্পনাই নিয়মীয়াকৈ ঘৰলৈ পইচা পঠাইছিল। পাছলৈ বাধা দিলোঁ। ক'লোঁ যে দৰমহাৰ ৰাহি হোৱা পইচাখিনি নিজৰ বাবে সাঁচি ৰখা ভাল। অন্ততঃ বিয়া-বাৰুৰ ক্ষেত্ৰত কামত আহিব। ভাল লাগিল যে তাই মোৰ উপদেশ মানি ল'লে।

আৰু বেছি ভাল লাগিল যে মই নিজৰ বাবে এটা পৰিকল্পনা যুগুতাই ল'ব পাৰিলোঁ।

পৰিকল্পনাটো আছিল সম্পূৰ্ণ এবছৰীয়া। এই এবছৰৰ ভিতৰত দুটামান সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱাত লাগি গ'লোঁ। সম্পূৰ্ণ প্ৰস্তুতি বুলি যাক ক'ব পৰা যায়। তেনেধৰণৰ কিবা এটা।

শেষ পৰ্যন্ত এই 'কিবা এটা'টোৱে সাফল্যৰ বাট এটা পোনাই দিয়া দেখা গ'ল। মোৰ বাবে সাফল্যৰেই বাট। জেদৰ বাট বুলিবও পাৰি।

আৰু জেদনো কি। নিজকে প্ৰমাণ কৰাৰ কথাহে আচলতে। প্ৰায় সমসাময়িকভাৱে দুটা চাকৰিৰ বাবে বাছনিত উঠিলোঁ। অধিক পছন্দটো